# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 30-DEC-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

১। ৰাজ্যত ভোটাৰৰ সংখ্যা পূৰ্বতকৈ ১ দশমিক ৩-৫ শতাংশ বৃদ্ধি পাইছে বুলি মুখ্য নিৰ্বাচনী বিষয়াৰ প্ৰকাশ।

২। **অপাৰেচন প্ৰতিঘাতে**ৰে ১১টাকৈ বাংলাদেশী মৌলবাদী গ্ৰেপ্তাৰ কৰা বুলি গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্ত পাৰ্থ সাৰথি মহন্তৰ মন্তব্য।

৩। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বজালীত ভট্টদেৱ বিশ্ববিদ্যালয়ৰ নতুন চৌহদ উদ্বোধন। **আৰু**

৪। কাৰ্বি আংলঙৰ পিজিআৰ আৰু ভিজিআৰ ভূমি দখলমুক্ত কৰাৰ বাবে উচ্ছেদৰ জাননী জাৰি।

ooooo

ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া আলোক কুমাৰে জনতা ভৱনত এখন সংবাদমেল সম্বোধন কৰি ৰাজ্যত ৬০ হাজাৰৰো অধিক বি এল অ'ৰ দ্বাৰা খচৰা ভোটাৰ তালিকা প্ৰস্তুত কৰা হৈছে বুলি প্ৰকাশ কৰে। নিৰ্বাচনী বিষয়াগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি এইবাৰ ৰাজ্যত ভোটদাতাৰ সংখ্যা ২ কোটি ৫২ লাখ এহেজাৰ ৬২৪। সেই অনুসৰি ভোটাৰৰ সংখ্যা পূৰ্বতকৈ ১ দশমিক ৩-৫ শতাংশ বৃদ্ধি হৈছে। খচৰা ভোটাৰ তালিকা মতে মুঠ পুৰুষ ভোটাৰৰ সংখ্যা ১ কোটি ২৫ লাখ ৭২ হাজাৰ ৫৮৩ আৰু মহিলা ভোটাৰৰ সংখ্যা ১ কোটি ২৫ লাখ ২৮ হাজাৰ ৬৬২। তৃতীয় লিংগৰ ভোটাৰ ৩৭৯ গৰাকী। দিব্যাংগ ভোটাৰৰ সংখ্যা ২ লাখ দুহেজাৰ ৪৩৩। এইবাৰ এহেজাৰ ৮৩০টা ভোটকেন্দ্ৰ বৃদ্ধিৰে মুঠ ভোটকেন্দ্ৰৰ সংখ্যা ৩১ হাজাৰ ৪৮৬টালৈ বৃদ্ধি হৈছে। খচৰা ভোটাৰ তালিকাত ৭ লাখ ৮৬ হাজাৰ ৮৪১ গৰাকী নতুন ভোটাৰৰ নাম অন্তৰ্ভুক্ত হৈছে। ইয়াৰ বিপৰীতে ৪ লাখ ৪৭ হাজাৰ ১৯৬ গৰাকী ভোটাৰৰ নাম তালিকাৰ পৰা কৰ্তন কৰা হৈছে। ভোটাৰৰ তালিকাত একাধিকবাৰ নাম থকা ৫৩ হাজাৰ ৬১৯ গৰাকী ভোটাৰৰ নাম কৰ্তন কৰা হৈছে। একেখন সংবাদমেলতে মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে কোৱা অনুসৰি কৰ্মসূত্ৰে বাহিৰত থকা ভোটাৰসকলে ৬ নম্বৰ প্ৰ-পত্ৰৰ জৰিয়তে ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত কৰিব পাৰিব। ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিৰ বাবে ২২ জানুৱাৰীলৈকে আবেদন কৰিব পাৰিব। একেদৰে ৮ নম্বৰ প্ৰ-পত্ৰৰ জৰিয়তে ভোটাৰ তালিকাত নাম ভুল থাকিলে সংশোধন কৰিব পাৰিব। ৩, ৪, ১০ বা ১১ জানুৱাৰীত গাঁওসভাৰ জৰিয়তে খচৰা ভোটাৰ তালিকা সন্দৰ্ভত প্ৰতিখন গাঁৱৰ বাসিন্দাক অৱগত কৰোৱা হ'ব। গাঁওসভাৰ দিনটো জিলা আয়ুক্তই নিৰ্ধাৰণ কৰিব। ১০ ফেব্ৰুৱাৰীত পূৰ্ণাংগ ভোটাৰ তালিকা প্ৰকাশ পাব বুলি একেখন সংবাদমেলতো মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে প্ৰকাশ কৰে।

**বাইট (আলোক কুমাৰ)**

ooooo

গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্ত পাৰ্থ সাৰথি মহন্তই এখন সংবাদমেল সম্বোধন কৰি ৰাজ্যত গোপনে কাম কৰি যোৱা বহিঃৰাষ্ট্ৰৰ মৌলবাদী শক্তিক **অপাৰেচন প্ৰতিঘাত**ৰ জৰিয়তে উৎখাত কৰা বুলি প্ৰকাশ কৰিছে। কালি মুকলি কৰা মহানগৰ আয়ুক্তৰ নতুন কাৰ্যালয়ত সম্বোধন কৰা প্ৰথমখন সংবাদমেলত আৰক্ষী আয়ুক্তগৰাকীয়ে কয়, যে দেশৰ আন দুই ৰাজ্যৰ লগতে অসমতো বাংলাদেশী মৌলবাদীৰ বিৰুদ্ধে অভিযান চলিছে। **অপাৰেচন প্ৰতিঘাত** নামেৰে চলা আৰক্ষীৰ এই অভিযানত স্পেচিয়েল টাস্ক ফৰ্চে ১১টাকৈ বাংলাদেশী মৌলবাদী গ্ৰেপ্তাৰ কৰে। ৰাজ্যৰ

দৰং, চিৰাং, বৰপেটা আৰু বাক্সা জিলাত **অপাৰেচন প্ৰতিঘাত** অভিযান চলোৱা হৈছিল। অসমত মৌলবাদী কাৰ্যকলাপ বিয়পোৱাৰ কৌশল ৰচা তামিম ইছলাম নামৰ মৌলবাদীটোকো এছ টি এফে গ্ৰেপ্তাৰ কৰে। ইয়াৰ লগতে এছ টি এফে অসমত বাহৰ পাতি মৌলবাদ বিয়পোৱাৰ চেষ্টা কৰা জামাত-উল-মুজাহিদ্দিনৰ দহটাকৈ সদস্যক গ্ৰেপ্তাৰ কৰে। এনে মৌলবাদীৰ বিৰুদ্ধে এছ টি এফে ত্ৰিপুৰা আৰু পশ্চিমবংগতো অভিযান চলোৱা হৈছিল। গ্ৰেপ্তাৰ হোৱা মৌলবাদী সদস্যকেইজনৰ পৰা বহু আপত্তিজনক সামগ্ৰী জব্দ কৰা বুলিও আৰক্ষী আয়ুক্তগৰাকীয়ে সংবাদমেলত প্ৰকাশ কৰে। ধৃত জামাত-উল-মুজাহিদ্দিন বাংলাদেশৰ সদস্যকেইজনে মূলত ডিজিটেল জেহাদেৰে ৰাজ্যৰ যুৱ প্ৰজন্মক লক্ষ্য কৰি লৈছিল। ডিজিটেল জেহাদেৰে অসমত ধন সংগ্ৰহ কৰি বাংলাদেশলৈ প্ৰেৰণ কৰিছিল। আৰক্ষী আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি ইমাম মেহমুদ্দাৰ কাফিলা চমুকৈ আই এম কে, আনছাৰুল্লাহ বাংলা টীম চমুকৈ এ বি টি, অল কায়দা ইণ্ডিয়ান ছাবকণ্টিনেণ্ট চমুকৈ এ কিউ আই এছ আদি মৌলবাদী সংগঠনে অসম তথা ভাৰতক অশান্ত কৰাৰ লক্ষ্যৰে কাম কৰিছিল।

**বাইট (পাৰ্থ সাৰথি মহন্ত)**

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বজালীত ভট্টদেৱ বিশ্ববিদ্যালয়ৰ নতুন চৌহদ উদ্বোধন কৰে। প্ৰায় ৫৩ কোটি টকা ব্যয় সাপেক্ষে বিশ্ববিদ্যালয়খনৰ এই নতুন চৌহদত প্ৰশাসনিক ভৱন, আধুনিক প্ৰযুক্তিসম্পন্ন পৰীক্ষাগাৰসহ তিনিটা শৈক্ষিক ভৱন, কেফেটেৰিয়া আৰু উপাচাৰ্যৰ লগতে অন্যান্য শৈক্ষিক আৰু অনাশৈক্ষিক বিষয়ববীয়াৰ বাবে আৱাসিক ভৱনৰ নিৰ্মাণ কৰা হৈছে। অনুষ্ঠানত শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগু, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাস আৰু সাংসদ ফণীভূষণ চৌধুৰী উপস্থিত থাকে।

১৯৫৫ চনৰ ১৬ আগষ্টত স্থাপিত পাঠশালাৰ ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান বজালী মহাবিদ্যালয়ক ৰাজ্য চৰকাৰে ভট্টদেৱ বিশ্ববিদ্যালয় বিধেয়ক ২০১৭ৰ অধীনত বিশ্ববিদ্যালয়লৈ উন্নীতকৰণৰ বাবে আইন প্ৰণয়ন কৰে। বিশ্ববিদ্যালয়খন বজালীৰ প্ৰবাদ পুৰুষ আৰু অসমীয়া গদ্য সাহিত্যৰ জনক ভট্টদেৱ নামেৰে পৰিচিত বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচাৰ্যৰ নামত উৎসৰ্গা কৰা হয়।

০০০০০

কাৰ্বি আংলঙৰ পি জি আৰ আৰু ভি জি আৰ ভূমি দখল কৰি থকা লোকসকলৰ বিৰুদ্ধে উচ্ছেদ অভিযান চলোৱাৰ বাবে আজিৰেপৰা জাননী জাৰি কৰা হৈছে। ১৫ দিনৰ ভিতৰত ভূমি খালী নকৰাসকলৰ বিৰুদ্ধে উচ্ছেদ অভিযান চলোৱা হ'ব বুলি কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে প্ৰকাশ কৰিছে। যোৱা ২৬ ডিচেম্বৰত ৰাজ্য চৰকাৰৰ সৈতে অনুষ্ঠিত ত্ৰিপাক্ষিক বৈঠক পাছত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই ভূমি দখলমুক্ত কৰাক লৈ কাৰ্বি পাহাৰত সৃষ্টি হোৱা প্ৰতিবাদমুখৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আন্দোলনকাৰী আৰু কাৰ্বিআংলং স্বায়ত্তশাসিত পৰিষদৰ সৈতে ৰাজ্য চৰকাৰৰ বৈঠক অনুষ্ঠিত হৈছিল। এই অনুসৰি খেৰণি আৰু উত্তৰ বৰবিলৰ ৩৩৯টা পৰিয়ালৰ বাহিৰে বাকীসকলক সেই স্থান খালী কৰিবলৈ জাননী জাৰি কৰা হ'ব। লগতে পি জি আৰ ভূমিত থকা ব্যৱসায় প্ৰতিষ্ঠানসমূহৰ বাণিজ্যিক অনুজ্ঞা বাতিল কৰা হ'ব। মাঘ বিহুৰ পাছতে বকলীয়াঘাটৰ জলসিঞ্চন বিভাগৰ ভূমিত থকা এহেজাৰটা পৰিয়ালক উচ্ছেদ কৰা হ'ব।

০০০০০

প্ৰথিতযশা সাহিত্যিক, মিতভাষৰ স্ৰষ্টা, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড০ নগেন শইকীয়াক আজি বৰেণ্য অসমীয়া বঁটাৰে সন্মানিত কৰা হয়। অসমৰ এটা বৈদ্যুতিন আৰু ছপা সংবাদ গোষ্ঠীয়ে সাহিত্যিকগৰাকীৰ বাসগৃহত এই সন্মান আগবঢ়ায়। অনুষ্ঠানত শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড০ কন্দৰ্প কুমাৰ ডেকা, সাহিত্যাচাৰ্য ড০ কৰবী ডেকা হাজৰিকা আৰু শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ হিৰেন্দ্ৰনাথ শৰ্মাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

অসম খাদ্য আৰু অসামৰিক যোগান নিগম লিমিটেডৰ অধীনত আজি মাজুলীৰ পকাজৰাত এটা ধান ক্ৰয় কেন্দ্ৰ মুকলি কৰা হয়। জিলাখনৰ আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে কেন্দ্ৰটো মুকলি কৰে। উল্লেখযোগ্য যে ২০২৫-২৬ বৰ্ষৰ খাৰিফ শস্যৰ বতৰত শালি ধানৰ বাবে চৰকাৰে ন্যূনতম সমৰ্থন মূল্য প্ৰতি কুইণ্টলত দুহেজাৰ ৩৬৯ টকাৰ উপৰি অতিৰিক্ত সাহায্য ২৫০ টকাকৈ আগবঢ়াইছে। সৰ্বমুঠ প্ৰতি কুইণ্টলত দুহেজাৰ ৬১৯ টকা দৰত ধান ক্ৰয় কেন্দ্ৰত ক্ৰয় প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। এই কেন্দ্ৰটোৱে কৃষকসকলক যথেষ্ট উপকৃত কৰিব বুলি আশা কৰা হৈছে। কেন্দ্ৰটোৰ জৰিয়তে ধান বিক্ৰীৰ বাবে প্ৰয়োজনীয় পঞ্জীয়ন তথা প্ৰমাণপত্ৰ কৃষি উন্নয়ন বিষয়াসকলৰ পৰা গ্ৰহণ কৰিবলৈ কৃষি বিভাগে ৰাইজক আহ্বান জনাইছে।

০০০০০

শিৱসাগৰৰ হাতীঘূলি চাংমাই গাঁৱৰ প্ৰগিতশীল মীনপালক পাৰ্থপ্ৰতীম নেওগৰ এটা পুখুৰীত আজি বিশেষ মুকুতা উৎপাদনৰ শুভাৰম্ভ কৰা হয়। মীন বিভাগৰ সহযোগত আৰম্ভ কৰা এই অভিনৱ মুকুতা উৎপাদনৰ আজি জিলা আয়ুক্ত আয়ুষ গাৰ্গে শুভাৰম্ভ কৰে। জিলা মীনা বিভাগে প্ৰকাশ কৰা মতে মীনপালক গৰাকীয়ে মুকুতা খেতিৰ জৰিয়তে বছৰি অতিৰিক্তকৈ প্ৰায় ২ লাখ টকা উপাৰ্জন কৰিবলৈ সমৰ্থ হ'ব। এই উদ্যোগে জিলাখনত মীন পালকসকলৰ বাবে বিকল্প আয়ৰ নতুন পথ মুকলি কৰিব বুলি মীন বিভাগে প্ৰকাশ কৰিছে।

০০০০০

বিগত তিনি-চাৰিদিন ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে গুৱাহাটী মহানগৰো শীতৰ কৱলত পৰিছে। আজি গোটেই দিনটো ঘন কুঁৱলীয়ে মহানগৰৰ চৌপাশ আৱৰি ৰখাৰ ফলত দৃশ্যমানতা হ্ৰাস পায়। বৰঝাৰৰ বতৰ বিজ্ঞান কেন্দ্ৰৰ সূত্ৰই জনোৱা মতে গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ সৰ্বনিম্ন তাপমাত্ৰাৰ বিশেষ সাল-সলনি ঘটা নাই যদিও সৰ্বোচ্চ তাপমাত্ৰা দুদিনৰ ভিতৰত কমেও ৬ ডিগ্ৰী হ্ৰাস পাইছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে শীতৰ প্ৰকোপ অব্যাহত থাকিলে বিদ্যালয়সমূহ বন্ধ ঘোষণাৰ কথা বিবেচনা কৰা হ'ব বুলি প্ৰকাশ কৰিছে। জিলা আয়ুক্তসকলে এই সংক্ৰান্তত সিদ্ধান্ত ল'ব পাৰিব বুলিও তেওঁ প্ৰকাশ কৰে।

আজিও গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা ১৮ ডিগ্ৰী ছেলচিয়াছৰ আশে-পাশে থাকে আৰু সৰ্বনিম্ন তাপমাত্ৰা প্ৰায় ১৫ ডিগ্ৰী ছেলছিয়াছলৈ হ্ৰাস পায়। ৰাজ্যৰ ভিতৰত সৰ্বোচ্চ তাপমাত্ৰা ধুবুৰীত সৰ্বাধিক হ্ৰাস পাইছে। কালি জিলাখনত ১৬ দশমিক ৯ ডিগ্ৰী ছেলছিয়াচ সৰ্বোচ্চ তাপমাত্ৰা ৰেকৰ্ড কৰা হয়।

গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰত কালি কেইবাখনো বিমানৰ উৰণ আৰু অৱতৰণ কেইবা ঘণ্টাও বিলম্ব হয়। শীত প্ৰবাহ আৰু ঘন কুঁৱলীৰ বাবে বিগত ২৪ ঘণ্টাত দেশৰ বিমান পৰিবহণ সংস্থাসমূহে কমেও ১২৮ খন ঘৰুৱা তথা আন্তঃৰাষ্ট্ৰীয় বিমানৰ সেৱা বাতিল কৰে। ভালেসংখ্যক বিমান বন্দৰত হালধীয়া সতৰ্কীকৰণ জাৰি কৰা হৈছে। তদুপৰি ৰাজধানী চহৰ দিল্লীৰ পৰা ভিন্ন প্ৰান্তলৈ উৰা মাৰিবলগীয়া ২০০ খন বিমানৰ উৰণৰ সময়সূচী পিছুৱাই দিয়া হয়। পৰৱৰ্তী কেইটামান দিনতো অসমৰ লগতে দেশৰ বিভিন্ন প্ৰান্তত কুঁৱলীৰ আচ্ছাদন একেদৰে থাকিব বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে। অসমত অহা ২ জানুৱাৰীলৈ আকাশ ঘন কুঁৱলীয়ে ঢাকি ৰাখিব বুলি কোৱা হৈছে। মেঘালয়, মণিপুৰ, মিজোৰাম আৰু নাগালেণ্ডতো ২ জানুৱাৰী পৰ্যন্ত ঘন কুঁৱলী থাকিব বুলি কোৱা হৈছে।

০০০০০

সমাপ্ত